Total No. of Printed Pages—8

## 5 SEM TDC GEAS (CBCS) 5 (A/B/C/D)

## 2022

( Nov/Dec )

## ASSAMESE

( Generic Elective )

Paper : GE–5

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : GE–5 (A)

( অসমীয়া সাহিত্যৰ শিক্ষণ পদ্ধতি )

১। (ক) সাহিত্য শিক্ষণে শিকাৰুক কি ধৰণেৰে উপকৃত কৰিব পাৰে, আলোচনা কৰাঁ। ১৬

অথবা

(খ) সাহিত্য শিক্ষণৰ লগত জড়িত মূল দিশকেইটিৰ প্ৰায়োগিক গুৰুত্ব সম্পৰ্কে আলোচনা কৰাঁ।

২। (ক) পাঠদানৰ অগ্ৰগতিৰ ক্ষেত্ৰত পৰিকল্পনাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই আলোচনা কৰা।  ১৬

*অথবা*

(খ) পাঠ-পৰিকল্পনাৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে আলোচনা কৰা।

৩। (ক) পদ্য আৰু কবিতা শিকনৰ পদ্ধতি একেনে? কবিতাৰ শিক্ষাদানৰ সকলো দিশ সামৰি এটি প্ৰবন্ধ যুগুত কৰা।  ১৪

*অথবা*

(খ) কবিতা শিক্ষণৰ ক্ষেত্ৰত গীত আৰু অভিনয় পদ্ধতি কেনেদৰে প্ৰয়োগ কৰা হয়, আলোচনা কৰা।

৪। (ক) গদ্য শিক্ষণৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে আলোচনা কৰা।  ১৪

*অথবা*

(খ) হাৰ্বাৰ্টৰ পঞ্চাংক পদ্ধতিৰ বিভিন্ন স্তৰসমূহ উল্লেখ কৰি ইয়াৰ এটি সমালোচনা আগবঢ়োৱা।

৫। (ক) ৰচনাৰীতি অনুসৰি সাহিত্য শিক্ষণৰ ক্ষেত্ৰত কেনে তাৰতম্য আহিব পাৰে, আলোচনা কৰা।  ১৪

*অথবা*

(খ) সাহিত্যৰ নান্দনিক বিচাৰে সাহিত্যৰ পাঠদানক কিদৰে সমৃদ্ধ কৰে, আলোচনা কৰা।





৬। চমু টোকা লিখা (যি কোনো দুটা) :  ৩×২=৬

(ক) কথোপকথন পদ্ধতি

(খ) সাহিত্যৰ সৌন্দৰ্য

(গ) ব্যাখ্যা পদ্ধতি

## Paper : GE-5 (B)

### ( অসমীয়া ভাষাৰ শিক্ষণ পদ্ধতি )

১। (ক) ভাষা শিক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।  ১৫

*অথবা*

(খ) ভাষা শিক্ষণৰ পদ্ধতিসমূহৰ বিষয়ে এটি আলচ যুগুত কৰা।

২। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে ৰেখাচিত্ৰৰ সহায়ত এটি টোকা প্ৰস্তুত কৰা।  ১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ বাক্যৰ গঠন সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

৩। (ক) ব্যাকৰণ শিক্ষাৰ অৱৰোহী আৰু আৰোহী পদ্ধতিৰ বিষয়ে এটি নিবন্ধ প্ৰস্তুত কৰাঁ। ১৫

*অথবা*

(খ) অসমীয়া ব্যাকৰণৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।

৪। (ক) অসমীয়া ভাষাৰ উচ্চাৰণৰ সমস্যা সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰাঁ। ১৫

*অথবা*

(খ) আখৰ-জোঁটনি শুদ্ধ কৰাৰ বিধি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।

৫। (ক) দ্বিতীয় ভাষা হিচাপে অসমীয়া ভাষা শিকাৰ উদ্দেশ্য সম্পৰ্কে চমুকৈ লিখাঁ। ১৫

*অথবা*

(খ) অসমীয়া ভাষা আয়ত্ত কৰাৰ ক্ষেত্ৰত সহায়ক দিশসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ।

৬। চমু উত্তৰ দিয়াঁ : ১×৫=৫

(ক) 'নিকা অসমীয়া ভাষা' গ্ৰন্থখনৰ ৰচক কোন?

(খ) বাণীকান্ত কাকতিৰ মতে অসমীয়া ভাষাৰ মূল কি প্ৰাকৃত?

(গ) 'অসমীয়া ভাষাৰ ব্যাকৰণ' গ্ৰন্থৰ লিখক কোন?

(ঘ) আদৰণি সভা/আদৰণী সভা—কোনটো শুদ্ধ?

(ঙ) দ্বিতীয় ভাষা কাক বোলে?





## Paper : GE–5 (C)

## ( লোক-পৰিৱেশ্য কলা )

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) লোকজীৱনক সূচিত কৰিবলৈ প্ৰাকৃতিক লোকজীৱন অৰ্থাৎ Physical Folklore পৰিভাষাৰ প্ৰয়োগ কোনে কৰিছিল?

(খ) 'ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা' গ্ৰন্থখনিৰ লেখক কোন?

(গ) নবম শতিকাৰ কোনখন গ্ৰন্থই অসমত পুতলা নাচৰ প্ৰচলনৰ ইংগিত দিয়ে?

(ঘ) 'চিফুং' কোন শ্ৰেণীৰ বাদ্য?

(ঙ) 'ফাৰকান্তি' কি?

(চ) ইংৰাজী 'puppet' শব্দটোৰ মূল কি?

(ছ) 'কুশান গান'ৰ মুখ্য পৰিৱেশকজনক কি বোলে?

(জ) 'ঝুমইৰ নৃত্যগীত' কাৰ ৰচনা?

২। 'লোক' শব্দই নিৰ্দেশ কৰা জনসমষ্টিৰ বৈশিষ্ট্যসমূহ লিখি লোক-অভিধাই সামৰি লোৱা বিভিন্ন ক্ষেত্ৰসমূহ বিচাৰ কৰাঁ। ৭+৯=১৬

*অথবা*

'কলা' বুলিলে কি বুজা? কলাক কেইভাগত ভগাব পাৰি? যি কোনো এটা ভাগৰ বিষয়ে বহলাই আলোচনা কৰাঁ। ৪+৪+৮=১৬

৩। 'পৰিৱেশ্য কলা'ৰ প্ৰধান ভাগ কেইটা আৰু কি কি? অসমৰ প্ৰেক্ষাপটত ইয়াৰে কোনো এটি ভাগৰ বিষয়ে আলোচনা কৰা। ২+১৩=১৫

*অথবা*

'লোকগীত'ৰ সংজ্ঞা দিয়া। লোকগীত আৰু মাৰ্গীয় সঙ্গীতৰ মাজত পাৰ্থক্য বিচাৰ কৰা। ১৫

৪। লোক-পৰিৱেশ্য কলাৰ অংগসমূহ কি কি? লোক-পৰিৱেশ্য কলাৰ অংগসমূহৰ পৰিচয় দিয়া। ৫+১০=১৫

*অথবা*

লোক-পৰিৱেশ্য কলাৰ অংগ হিচাপে বাদ্যযন্ত্ৰৰ ভূমিকা আলোচনা কৰি ইয়াৰ প্ৰকাৰভেদৰ বিষয়ে লিখা। ৩+১২=১৫

৫। অসমৰ লোক-পৰিৱেশ্য কলাৰ ঐতিহ্যত পুতলা নাচ *নাইবা* কুশান গানৰ স্থান নিৰূপণ কৰা। ১৪

৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৪×৩=১২

(ক) তটবাদ্য

(খ) ঝুমুৰ

(গ) হুচৰি

(ঘ) দেওধনী নৃত্য





Paper : GE–5 (D)

( অসমৰ সংস্কৃতি আৰু সাংস্কৃতিক পৰ্যটন )

১। (ক) 'অসমৰ সংস্কৃতিত গ্ৰাম্য জীৱন'—শীৰ্ষক এটি আলোচনা আগবঢ়োৱা। ১৩

*অথবা*

(খ) 'অসমৰ পৰ্যটনত জনজাতীয় সংস্কৃতিৰ গুৰুত্ব' —শীৰ্ষক এটি আলোচনা আগবঢ়োৱা।

২। (ক) ধৰ্মীয় পৰ্যটন বুলিলে কি বুজা? অসমত ধৰ্মীয় পৰ্যটনৰ এক সমীক্ষা দাঙি ধৰা। ৩+৯=১২

*অথবা*

(খ) পৰ্যটন কাক বোলে? পৰ্যটনৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২+১০=১২

৩। (ক) অসমত পৰ্যটন উদ্যোগৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বানৰ বিষয়ে এখনি ৰচনা যুগুত কৰা। ১৫

*অথবা*

(খ) পৰ্যটনৰ ক্ষেত্ৰত অসমৰ যাতায়াত ব্যৱস্থা সুচলনে? অসমৰ যাতায়াত ব্যৱস্থাৰ ইতিবাচক আৰু নেতিবাচক দিশবোৰ বিচাৰ কৰা। ৩+৬+৬=১৫

৪। (ক) উজনি অসমৰ পুৰাতাত্ত্বিক পৰ্যটনৰ থলীসমূহৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰাঁ। ১২

*অথবা*

(খ) অসমৰ সেউজ পৰ্যটনৰ সম্ভাৱনাৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰাঁ।

৫। চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৭×৩=২১

(ক) অসমৰ প্ৰাকৃতিক পৰিৱেশ

(খ) অসমৰ চিকিৎসা পৰ্যটন

(গ) অসমৰ উৎসৱ-অনুষ্ঠান

(ঘ) পৰ্যটনৰ স্থলীৰূপে কাজিৰঙা

(ঙ) পৰ্যটনৰ স্থলীৰূপে শ্ৰীসূৰ্য পাহাৰ

(চ) পৰ্যটনৰ স্থলীৰূপে উমানন্দ মন্দিৰ

৬। পোনপটীয়া উত্তৰ লিখাঁ : ১×৭=৭

(ক) আলি-আঃয়ে-লৃগাং কোন জনগোষ্ঠীৰ উৎসৱ?

(খ) পবিতৰা ৰাষ্ট্ৰীয় উদ্যান ক'ত অৱস্থিত?

(গ) বৰ্হমথুৰি কি?

(ঘ) 'বাৰেবৰণীয়া অসম' গ্ৰন্থখন কাৰ ৰচনা?

(ঙ) বিশ্ব পৰ্যটন দিৱস কেতিয়া পালন কৰা হয়?

(চ) মাজুলী জিলা কোন চনত গঠিত?

(ছ) 'চিত্ৰ-বিচিত্ৰ-অসম' গ্ৰন্থৰ লেখক কোন?

★★★